**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 22-10-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

ooooo

১। উচ্চতম ন্যায়ালয়ে ন্যায়িক সেৱাত দৃষ্টি বাধাগ্ৰস্ত লোকক কৰ্ম-সংস্থাপনৰ সুযোগ লাভৰ পৰা বঞ্চিত কৰিব পৰা নাযায় বুলি দিয়া ৰায় ৰূপায়ণ কৰাৰ বাবে মধ্য প্ৰদেশ উচ্চ ন্যায়ালয়ক চাৰি মাহৰ সময় দিছে।

২। বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেল কাইলৈ অৰ্থনৈতিক আৰু বাণিজ্যিক সহযোগিতা সুদৃঢ় কৰাৰ উদ্দেশ্যে কাইলৈ জাৰ্মানীলৈ যাব।

৩। চি পি আৰ সজাগতা সপ্তাহত দেশজুৰি ৬ লাখ ৬ হাজাৰৰো অধিক অংশগ্ৰহণকাৰীক চি পি আৰ প্ৰশিক্ষণ প্ৰদান কৰা বুলি স্বাস্থ্য মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

৪। বিহাৰ বিধানসভা নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযান ক্ৰমাৎ তীব্ৰতৰ হৈ উঠিছে।

***আৰু***

৫। আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত ইংলেণ্ডে অষ্ট্ৰেলিয়াক জয়ৰ বাবে ২৪৫ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

ooooo

ন্যায়িক সেৱাত দৃষ্টি বাধাগ্ৰস্ত লোকক কৰ্ম-সংস্থাপনৰ সুযোগ লাভৰ পৰা বঞ্চিত কৰিব পৰা নাযায় বুলি চলিত বৰ্ষৰ আগভাগত দিয়া ৰায় ৰূপায়ণ কৰাৰ বাবে মধ্য প্ৰদেশ উচ্চ ন্যায়ালয়ক উচ্চতম ন্যায়ালয়ে চাৰি মাহৰ সময় দিছে। ন্যায়াধীশ জে বি পাৰ্ডিৱালা আৰু কে ভি বিশ্বনাথনক লৈ গঠিত এখন বিচাৰপীঠে মধ্য প্ৰদেশ উচ্চ ন্যায়ালয়ৰ হৈ ওকালতি কৰা অধিবক্তাগৰাকীয়ে সৰ্বোচ্চ ন্যায়ালয়ৰ ৰায় ৰূপায়ণ কৰাৰ নিয়ম যুগুতাই উলিওৱাৰ বাবে ৰাজ্য চৰকাৰৰ সৈতে পৰামৰ্শ কৰা উচিত বুলি আগবঢ়োৱা যুক্তি মানি লয় আৰু ইয়াৰ বাবে চাৰি মাহৰ সময় দিয়ে। উচ্চতম ন্যায়ালয়ে যোৱা মাৰ্চত এটা ঐতিহাসিক ৰায়যোগে দৃষ্টি বাধাগ্ৰস্ত লোকক ন্যায়িক সেৱাৰ পৰা বঞ্চিত কৰি অহা মধ্য প্ৰদেশ ন্যায়িক সেৱাৰ নিয়মাৱলী খাৰিজ কৰিছিল। আন এটা গোচৰত সৰ্বোচ্চ ন্যায়ালয়ে ১৯৫৬ চনৰ হিন্দু উত্তৰাধিকাৰ আইন অনুসূচিত জাতিৰ লোকৰ ক্ষেত্ৰত প্ৰযোজ্য নহয় বুলি উল্লেখ কৰিছিল। ন্যায়াধীশ সঞ্জয় কৰোল আৰু প্ৰশান্ত কুমাৰ মিশ্ৰাক লৈ গঠিত এখন বিচাৰপীঠে এই সন্দৰ্ভত হিমাচল উচ্চ ন্যায়ালয়ে দিয়া ৰায় খাৰিজ কৰিছিল। উচ্চ ন্যায়ালয়ে ৰাজ্যখনৰ জনজাতীয় এলেকাসমূহত কন্যা

সন্তানসকলৰ হিন্দু উত্তৰাধিকাৰ আইন অনুযায়ীহে সম্পত্তিৰ অধিকাৰ আছে - জনজাতীয় প্ৰথা অনুসৰি নহয় বুলি ৰায় দিছিল।

০০০০০

বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেল কাইলৈ অৰ্থনৈতিক আৰু বাণিজ্যিক সহযোগিতা সুদৃঢ় কৰাৰ উদ্দেশ্যে কাইলৈ জাৰ্মানীলৈ যাব। ভাৰত-জাৰ্মানী কৌশলগত সহযোগিতাৰ ২৫ বছৰ সম্পূৰ্ণ হোৱাৰ সময়ত কৰা এই যাত্ৰাই জাৰ্মানীৰ সৈতে ভাৰতৰ সম্পৰ্ক অধিক শক্তিশালী কৰিব বুলি আশা কৰা হৈছে। এই ভ্ৰমণকালত শ্ৰীগোৱেলে জাৰ্মানীৰ শক্তি মন্ত্ৰী কেথৰিনা ৰীচেৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। এই বৈঠকত হ'বলগীয়া আলোচনাত ভাৰত আৰু জাৰ্মানীৰ মাজৰ অৰ্থনৈতিক সহযোগিতা অধিক সুদৃঢ় কৰাৰ লগতে বাণিজ্য আৰু বিনিয়োগ সহযোগিতা শক্তিশালী কৰাৰ বিষয়ে আলোচনা কৰা হ'ব। শ্ৰীগোৱেলে লগতে তৃতীয় বাৰ্লিন গোলকীয় আলোচনাত ভাগ ল'ব। ভ্ৰমণকালত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে জাৰ্মান মিটেলষ্টেণ্ড কোম্পানীসমূহৰ মুখ্য কাৰ্য্যবাহী বিষয়াসকলৰ সৈতে হ'বলগীয়া ঘূৰণীয়া মেজমেলৰ অধ্যক্ষতা কৰিব। তেওঁ লগতে দ্বিপাক্ষিক বাণিজ্যিক সম্পৰ্ক সুদৃঢ় কৰাৰ বিষয় লৈ আলোচনা কৰাৰ উদ্দেশ্যে লুক্‌জেমবাৰ্গৰ উপ-প্ৰধানমন্ত্ৰী জেভিয়াৰ বেটেলৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব।

০০০০০

চি পি আৰ সজাগতা সপ্তাহত দেশজুৰি ৬ লাখ ৬ হাজাৰৰো অধিক অংশগ্ৰহণকাৰীক চি পি আৰ প্ৰশিক্ষণ প্ৰদান কৰা বুলি স্বাস্থ্য মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। মন্ত্ৰালয়ে যোৱা ১৩ৰ পৰা ১৭ অক্টোবৰলৈ সৰ্ব ভাৰত চি পি আৰ সজাগতা সপ্তাহৰ আয়োজন কৰে। এই কাৰ্য্যসূচীত জনসাধাৰণৰ ব্যাপক অংশগ্ৰহণ সুনিশ্চিত কৰাৰ লগতে সজাগতা সৃষ্টিৰ উদ্দেশ্যে বিভিন্ন কাৰ্য্যসূচীৰ আয়োজন কৰা হয়। ১৪ হাজাৰৰো অধিক অংশগ্ৰহণকাৰীয়ে ই চি এইচ অ' মঞ্চ আৰু ইউটিউব লাইভ ব্যৱস্থাৰে কাৰ্য্যসূচীত অংশগ্ৰহণ কৰে। এই কাৰ্য্যসূচীৰ সময়ত প্ৰায় ৭৯ হাজাৰ লোকে মাই গভ মঞ্চৰ জৰিয়তে ডিজিটেল প্ৰতিজ্ঞা লয়। জনসাধাৰণক ডিজিটেল ব্যৱস্থাৰে জড়িত কৰোৱাৰ বাবে মাই গভ আৰু মাই ভাৰত মঞ্চৰ যোগেদি চি পি আৰ কুইজৰো আয়োজন কৰা হয়। এই কুইজত ৩৬ হাজাৰৰো অধিক লোকে ভাগ লয়। চি পি আৰ সজাগতা সপ্তাহত চাৰে সাত লাখৰো অধিক লোকে বহুমুখী চি পি আৰ সজাগতা কাৰ্য্যসূচীত অংশগ্ৰহণ কৰে বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ঘোষণা কৰা আৰু যোৱা ২২ ছেপ্তেম্বৰৰ পৰা সমগ্ৰ দেশত ৰূপায়ণ হোৱা সামগ্ৰী আৰু সেৱা কৰ - জি এছ টি সঞ্চয় উৎসৱৰ পৰা সমাজৰ সকলো শ্ৰেণীৰ লোক উপকৃত হৈছে। চৰকাৰে জনসাধাৰণক সকাহ প্ৰদানৰ উদ্দেশ্যে স্বাস্থ্য সেৱা খণ্ডত আৰোপিত কৰ যথেষ্ট হ্ৰাস হৈছে। চৰকাৰে পৰৱৰ্তী প্ৰজন্মৰ জি এছ টি সংস্কাৰৰ অধীনত কৰ্কট আৰু পুৰণি ৰোগৰ চিকিৎসাত ব্যৱহৃত ৩৬ বিধ জীৱনৰক্ষী ঔষধৰ ওপৰত আৰোপিত কৰ সম্পূৰ্ণৰূপে প্ৰত্যাহাৰ কৰিছে। ইয়াৰ ফলত স্বাস্থ্য বীমা ধাৰকসকলৰ ব্যয় হ্ৰাস পাইছে আৰু সমগ্ৰ দেশত স্বাস্থ্য সেৱা গ্ৰহণ কৰা লোকৰ সংখ্যা বৃদ্ধি পাইছে। একেদৰে, জি এছ টি সংস্কাৰৰ অধীনত বেণ্ডেজ, ৰোগ চিনাক্তকৰণ সঁজুলি, গ্লুক'মিটাৰ আৰু থাৰ্ম'মিটাৰৰ লেখিয়া চিকিৎসা আহিলা-পাতি আৰু অত্যাৱশ্যকীয় ঔষধৰ ওপৰত আৰোপিত কৰ ১২ শতাংশৰ পৰা ৫ শতাংশলৈ কমোৱা হৈছে। ইয়াৰ উপৰি স্বাস্থ্য

আৰু জীৱন বীমাৰ কিস্তিৰ ওপৰত আৰোপিত ১৮ শতাংশ কৰ সম্পূৰ্ণৰূপে প্ৰত্যাহাৰ কৰা হৈছে। স্বাস্থ্য সেৱাৰ ক্ষেত্ৰত আৰোপিত কৰ হ্ৰাস কৰাৰ ফলত চিকিৎসা ব্যয় কমিছে আৰু ইয়াৰ পৰা মধ্যবিত্ত আৰু নিম্ন মধ্যবিত্ত পৰিয়ালৰ লোক লাভান্বিত হৈছে।

০০০০০

বিহাৰ বিধানসভা নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযান ক্ৰমাৎ তীব্ৰতৰ হৈ উঠিছে। ৰাজনৈতিক দলৰ নেতাসকলে ভোটদাতাসকলক আকৰ্ষিত কৰাৰ বাবে ঠায়ে ঠায়ে নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰা পৰিলক্ষিত হৈছে। জে ডি ইউৰ ৰাষ্ট্ৰীয় সভাপতি তথা মুখ্যমন্ত্ৰী নীতিশ কুমাৰে আৰু গোপালগঞ্জ আৰু ছিৱান জিলাৰ কটেয়া, ৰঘুনাথপুৰ আৰু বৰহৰিয়াত নিৰ্বাচনী সভাত ভাষণ দিব। গোপলগঞ্জৰ কটেয়াৰ এখন নিৰ্বাচনী সভাত ভাগ লৈ মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে এন ডি এ পুনৰ ক্ষমতালৈ আহিলে বিহাৰক এখন উন্নত ৰাজ্যলৈ ৰূপান্তৰিত কৰাৰ সপোন বাস্তৱায়িত হ'ব। বিজেপিৰ ৰাজ্যিক সভাপতি ড০ দিলীপ জয়ছোৱালেও এই সমাৰেশত ভাষণ দিয়ে।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা উপ-মুখ্যমন্ত্ৰী সম্ৰাট চৌধৰীয়ে গয়াজীৰ এখন নিৰ্বাচনী সভাত কয়, যে কেন্দ্ৰ আৰু ৰাজ্য উভয়তে এন ডি এৰ দ্বৈত ইঞ্জিনযুক্ত চৰকাৰ গঠন হ'লে ৰাজ্যখনৰ অধিক উন্নয়নৰ পথ প্ৰশস্ত হ'ব।

লোক জনশক্তি পাৰ্টীৰ ৰাম বিলাস গোটৰ সভাপতি তথা কেন্দ্ৰীয় মন্ত্ৰী চিৰাগ পাছোৱানে আজি খগৰিয়াত দলৰ হৈ প্ৰচাৰ চলায়। ইপিনে, কংগ্ৰেছৰ বিহাৰৰ দায়িত্বত থকা কৃষ্ণ অল্লৱৰুৱে কয়, যে বিজেপি নেতাসকলে তেওঁলোকে জনসাধাৰণৰ বাবে কি কৰিছে, তাৰ ব্যাখ্যা আগবঢ়োৱা উচিত। মহা মিত্ৰ জোটে ৰাজ্যখনৰ বিভিন্ন বিষয় আৰু সমস্যা সন্দৰ্ভত ঐক্যবদ্ধভাৱে জনসাধাৰণৰ কাষ চাপিব বুলি তেওঁ মন্তব্য কৰে।

পাটনাত আৰ জে ডিৰ মুৰব্বী লালু প্ৰসাদ যাদৱক সাক্ষাৎ কৰাৰ পাছত শ্ৰী অল্লৱৰুৱে কয়, যে সাক্ষাৎকালত মহা মিত্ৰজোটে কিদৰে প্ৰচাৰ অভিযানত আগবঢ়া উচিত আৰু ভৱিষ্যতৰ ৰণনীতিৰ অংশ হিচাপে গ্ৰহণ কৰিবলগীয়া বিভিন্ন কাৰ্য্যসূচী সম্পৰ্কে আলোচনা কৰা হয়।

কংগ্ৰেছৰ নিৰ্বাচনী পৰ্য্যবেক্ষক তথা ৰাজস্থানৰ প্ৰাক্তন মুখ্যমন্ত্ৰী অশোক গেহলটে কয়, যে মহা মিত্ৰজোট সম্পূৰ্ণৰূপে ঐক্যবদ্ধ। তেওঁ কয়, যে কাইলৈ মিত্ৰজোটৰ সহযোগী দলসমূহে প্ৰচাৰ অভিযান, যুঁটীয়া ৰণনীতি আৰু বিভিন্ন বিষয় সন্দৰ্ভত নিজৰ নিজৰ মত প্ৰকাশ কৰিব।

০০০০০

উত্তৰাখণ্ডৰ গংগোত্ৰী ধামৰ দ্বাৰ আজি শীতকালৰ বাবে দৰ্শনাৰ্থীসকলৰ বাবে বন্ধ কৰা হয়। এই উপলক্ষে আজি ভালেমান ভক্তৰ সমাগম হয়। ইফালে, যমুনোত্ৰী আৰু কেডাৰনাথ মন্দিৰৰ দ্বাৰ কাইলৈ বন্ধ কৰা হ'ব। এইবাৰ ১৪ লাখৰো অধিক ভক্তই গংগোত্ৰী আৰু যমুনোত্ৰী ধাম দৰ্শন কৰে।

০০০০০

গৃহ মন্ত্ৰালয়ৰ উচ্চ ক্ষমতাসম্পন্ন সমিতিয়ে আজি নতুন দিল্লীত বিভিন্ন বিষয় লৈ লাডাখৰ নেতাসকলৰ সৈতে আলোচনাত মিলিত হয়। কেন্দ্ৰীয়শাসিত অঞ্চলটোত যোৱা মাহৰ হিংসাত্মক ঘটনাৰ পাছত এয়া হৈছে প্ৰথমটো আনুষ্ঠানিক বাৰ্তালাপ। উচ্চ ক্ষমতাসম্পন্ন সমিতিৰ সৈতে এপেক্স বডী লেহ চমুকৈ এ বি এল আৰু কাৰ্গিল ডেম'ক্ৰেটিক এলায়েন্স চমুকৈ কে ডি এৰ সৈতে এটা পৰিকাঠামো গঠনৰ বাবে আলোচনা কৰা হয়।

০০০০০

আই চি চি মহিলা বিশ্বকাপ ক্রিকেট প্ৰতিযোগিতাত আজি ইন্দোৰত অনুষ্ঠিত এখন খেলত ইংলেণ্ডে অষ্ট্ৰেলিয়াক জয়ৰ বাবে ২৪৫ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। ইংলেণ্ডে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ৫০ অভাৰত ৯ টা উইকেটৰ বিনিময়ত ২৪৪ ৰাণ সংগ্ৰহ কৰে। ইংলেণ্ডৰ হৈ টামী বোমণ্টে সৰ্বাধিক ৭৮ ৰাণ কৰে।

প্ৰত্যুত্তৰত অষ্ট্ৰেলিয়াই বাতৰি যুগুতোৱাৰ পৰলৈকে ১ অভাৰত এটা উইকেট হেৰুৱাই ৬ ৰাণ সংগ্ৰহ কৰিছে।

০০০০০

দুবাৰৰ অলিম্পিক পদক বিজয়ী জেভলিন থ্ৰ'ৱাৰ নীৰজ চোপ্ৰাই প্ৰাদেশিক সেনাত সন্মানীয় লেফটেনেণ্ট কৰ্ণেল হিচাপে পদোন্নতি দিয়া হৈছে। নতুন দিল্লীত আজি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আৰু সেনা বাহিনীৰ মুৰব্বী জেনেৰেল উপেন্দ্ৰ দ্বিবেদীৰ উপস্থিতিত তেওঁক আনুষ্ঠানিকভাৱে এই বিষয়বাব দিয়া হয়। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে নীৰজ চোপ্ৰা আৰু তেওঁৰ পৰিয়ালৰ সদস্যৰ সৈতে বাৰ্তালাপ কৰি নীৰজ চোপ্ৰাৰ দেশপ্ৰেম, দৃঢ়তা আৰু উৎকৃষ্ট প্ৰদৰ্শনৰ বাবে থকা ভাৰতীয় ভাৱনাৰ কথা উল্লেখ কৰে। প্ৰতিৰক্ষা মন্ত্ৰী শ্ৰীসিঙে কয়, যে লেফটেনেণ্ট কৰ্ণেল নীৰজ চোপ্ৰাই খেল জগতৰ লগতে সশস্ত্ৰ বাহিনীৰ লোকসকলৰ মাজতো নিয়মানুৱৰ্তিতা, নিষ্ঠা আৰু দেশৰ গৌৰৱ হিচাপে অনুপ্ৰেৰণা যোগাই আহিছে। উল্লেখযোগ্য যে, ২০১৬ চনৰ আগষ্টত নীৰজ চোপ্ৰা নাইব চুবেদাৰ হিচাপে ভাৰতীয় সেনা বাহিনীত নিযুক্ত হৈছিল। ইয়াৰ দুবছৰ পাছত তেওঁক অৰ্জুন বঁটা প্ৰদান কৰা হয় আৰু খেল জগতলৈ আগবঢ়োৱা উৎকৃষ্ট প্ৰদৰ্শনৰ বাবে ২০২১ চনত খেলৰত্ন বঁটাৰে সন্মানিত কৰা হয়। ২০২০ চনৰ টকিঅ' অলিম্পিকত সোণৰ পদক অৰ্জন কৰা নীৰজ চোপ্ৰাক ২০২২ চনত ভাৰতীয় সেনা বাহিনীৰ পৰম বিশিষ্ট সেৱা পদক আগবঢ়োৱা হয়। ইয়াৰ পাছত একেটা বছৰতে তেওঁক চুবেদাৰ মেজৰলৈ উন্নীত কৰাৰ লগতে পদ্মশ্ৰী বঁটাৰে সন্মানিত কৰা হয়।

০০০০০

সমাপ্ত